1. Name of the Programme : **Memorial Day Celebration of Dr. Mamoni Raysom Goswami.**

2. Date : **29/11/2022**

3. In connection with observation of ……………… Day (If any) :

4. Organized by : Organized by the Department of Assamese & Language-literature Club, Bholanath College, Dhubri.

5. Name of Resource person/judges : Dr. Upendrajit Sarma, Head of the Department of Assamese, B.N. College, Dhubri.

6. Number of participants/students : 45

7. Name, Class, Roll no of the winners : N/A

8. A brief write up of the programmme (with web snaps/phots):

Memorial Day was celebrated on 29th November 2022 of **Dr. Mamoni Raysom Goswami**, a research based writer, novelist of Assam. A special lecture programme has been Organized by the Department of Assamese & Language-literature Club, Bholanath College, Dhubri. The programme was conducted by **Abdul Hanif Khan**, PG Student, Dhubri Bholanath College. Artist Malvika Dihidar performed in Song at the beginning of the programme. **Dr. Upendrajit Sarma**, HoD, Assamese Department, Dhubri Bholanath College and Magazine editor, Asam Sahitya Sabha, delivered a special lecture on "**Mamoni Raysom Goswamir Upanyashat Nari Monostatta**". The meeting concluded with a national anthem performance.






# মামণি ৰয়ছম গোস্বামীৰ স্মৃতিত বিশেষ বক্তৃতা অনুষ্ঠান

প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ২৯ নৱেম্বৰ ঃ ৰামায়ণী সাহিত্যৰ গৱেষক মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱস উপলক্ষে আজি ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাষা-সাহিত্য চ'ৰাৰ উদ্যোগত বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাই উদ্বোধন কৰা অনুষ্ঠানৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে ভাষা-সাহিত্য চ'ৰাৰ সম্পাদক আব্দুল হানিফ খানে। আধুনিক অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ ভোটাতৰাসদৃশ মামণি ৰয়ছম গোস্বামীৰ অৱদান বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সঁচা অৰ্থত জাতীয় জীৱনৰ দায়বদ্ধতাৰে, নতুন ভাবাদৰ্শ গঢ়ি অসমীয়া সাহিত্যক সময়ৰ গতিত আগবঢ়াই লৈ যাব বিচাৰিছিল বুলি ড° উপেন্দ্ৰজিৎ শৰ্মাই দোহাৰে। অনুষ্ঠানটোত 'মামণি ৰয়ছম গোস্বামীৰ সাহিত্যত নাৰী মনস্তত্ত্বৰ প্ৰতিফলন' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে কবি, গীতিকাৰ প্ৰণীতা হালৈয়ে। ভাষণ প্ৰসংগত প্ৰণীতা হালৈয়ে কয় যে সাহিত্যিকগৰাকীয়ে তেওঁৰ ৰচনাৰাজিৰ মাজত নাৰী মনস্তত্ত্বৰ সুন্দৰ ছবি অংকন কৰি গৈছে। তেওঁৰ ৰচনাত গ্ৰামাঞ্চলৰ সহজ-সৰল অথচ নিৰ্ভেজাল জীৱনৰ প্ৰকাশ হোৱা দেখা যায় বুলি তেওঁ কয়। আবেলি ৫ বজাৰ পৰা গুগল মিটৰ জৰিয়তে অনুষ্ঠিত হোৱা অনুষ্ঠানত অসমৰ অন্যান্য প্ৰান্তৰ ব্যক্তি বিশেষৰ লগতে অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীবৃন্দই অংশগ্ৰহণ কৰে। কবি আব্দুল হানিফ খানে স্বৰচিত কবিতা পাঠ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।


5:20 PM
131KB/s
wdv-wmtr-nij
Abdul Hanif
Pranita
Dr. Upendr...
Sam
Raihana
Narzina
You
Khushb
21 others


5:10 PM
77.7KB/s
wdv-wmtr-nij
Narzina
Abdul Hanif
Shilpa
Sam
Rajeswari
Pranita
You
Dr. Upe
11 others